NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-05-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন।

২। লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ বাবে প্ৰচাৰ তীব্ৰতৰ হৈ উঠিছে।

৩। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোডীয়ে কৈছে যে ২০১৪ চনত জনসাধাৰণে তেওঁৰ পৰা আশা কৰিছিল আৰু ২০১৯ চনত সেই আশাসমূহ আস্থাত পৰিণত হৈছে।

৪। ছানৰাইজাৰ্ছ হায়দৰাবাদে যোৱানিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰাজস্থান ৰয়েলছক ১ ৰাণত পৰাস্ত কৰে।

*আৰু*

৫। ভাৰতৰ চাৰিগৰাকী খেলুৱৈয়ে ২২ বছৰ অনুৰ্দ্ধৰ এ এছ বি চি এছিয়ান আৰু যুৱ বক্সিং চেম্পিয়নশ্বিপৰ ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে।

oooooooo

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন। কাইলৈ মনোনয়নসমূহ পৰীক্ষা কৰা হ'ব আৰু সোমবাৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন হ'ব।

oooooooo

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ প্ৰচাৰ অভিযান সামৰণি পৰিবলৈ মাথোঁ দুটা দিন বাকী থকা অৱস্থাত সকলো ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। এই পৰ্যায়ত অহা ৭ মে'ত অসমকে ধৰি দেশৰ ১০ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুঠ ৯৩ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। পূৰ্বে এইটো পৰ্যায়ত মুঠ ৯৪টা সংসদীয় সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰাৰ কথা আছিল যদিও মধ্যপ্ৰদেশৰ বেটুল লোকসভা সমষ্টিৰ ভোটগ্ৰহণ দ্বিতীয় পৰ্যায়ৰ পৰা তৃতীয় পৰ্যায়লৈ পিছুৱাই দিয়া হয়। আনহাতে, গুজৰাটৰ ছুৰাট সংসদীয় সমষ্টিৰ বিজেপি প্ৰাৰ্থীজন বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাৰ বিপৰীতে জম্মু আৰু কাশ্মীৰৰ অনন্তনাগ-ৰাজৌৰী সংসদীয় সমষ্টিৰ ভোটগ্ৰহণৰ তাৰিখৰ সালসলনি ঘটোৱাৰ পৰিপ্ৰেক্ষিতত তৃতীয় পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া সমষ্টিৰ সংখ্যা ৯৩ লৈ হ্ৰাস পায়।

এই পৰ্যায়ত গুজৰাটৰ ২৫টা, কৰ্ণাটকৰ ১৪টা, মহাৰাষ্ট্ৰ ১১টা আৰু উত্তৰ প্ৰদেশৰ ১০টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। একেদৰে মধ্যপ্ৰদেশৰ ৯টা, ছত্তিশগড়ৰ ৭টা, বিহাৰৰ ৫টা, অসম আৰু পশ্চিমবংগ উভয়ৰে ৪টাকৈ আৰু গোৱা, দাদ্ৰা আৰু নগৰ হাৱেলী আৰু দমন আৰু ডিউৰ দুটাকৈ সংসদীয় সমষ্টিৰ বাবেও এইটো পৰ্যায়তে নিৰ্বাচন অনুষ্ঠিত হ'ব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কালি গুজৰাটৰ আনন্দ, সুৰেন্দ্ৰনগৰ, জুনাগড় আৰু জামনগৰত কেইবাখনো নিৰ্বাচনী সভাক সম্বোধন কৰি ভাৰত স্বাধীনতাৰ শতবৰ্ষত উদযাপন কৰাৰ

সময়লৈকে এখন উন্নত ৰাষ্ট্ৰৰ মৰ্যাদা লাভ কৰিব বুলি আশ্বাস প্ৰদান কৰে। বিভিন্ন উন্নয়নমূলক কাম-কাজৰ কথা উল্লেখ কৰি শ্ৰীমোডীয়ে কয় যে এন ডি এৰ শাসংন কালত বিগত ১০ বছৰত দেশে আমূল পৰিৰৰ্তন প্ৰত্যক্ষ কৰিছে। শ্ৰীমোডীয়ে লগতে কংগ্ৰেছে ৰাজনৈতিক লাভালাভৰ বাবে দুখীয়াসকলক শোষণ কৰা বুলি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ প্ৰতি অন্যায় কৰা বুলি অভিযোগ তোলে। শ্ৰীমোডীয়ে আজি পশ্চিমবংগৰ কৃষ্ণানগৰ, পূব বৰ্ধমান আৰু বোলপুৰ সংসদীয় সমষ্টিত তিনিখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। শ্ৰীমোডী কালি সন্ধিয়া কলকাতাত উপস্থিত হৈ পশ্চিম বংগৰ ৰাজ্যপাল চি ভি আনন্দ বসুৱে ৰাজভৱনত প্ৰধানমন্ত্ৰীক আদৰণি জনায়।

ইপিনে, কংগ্ৰেছৰ জ্যেষ্ঠ নেতা অশোক গেহলটে কালি আহমেদাবাদত এখন সংবাদ মেল সম্বোধন কৰে আৰু দলৰ ইস্তাহাৰত সমাজৰ সকলো শ্ৰেণীৰ প্ৰতি ন্যায়ৰ নিশ্চয়তা প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰে। আনহাতে, কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে কালি কৰ্ণাটকৰ শিৱমোগগাত এখন জনসভাক সম্বোধন কৰে। তেওঁ কয় যে কংগ্ৰেছে অকলেই সংবিধানক বিজেপিৰ পৰা ৰক্ষা কৰিব পাৰে। একেখন জনসভাত অংশগ্ৰহণ কৰি দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কংগ্ৰেছ চৰকাৰ ক্ষমতালৈ আহিলে সম্পত্তি কাঢ়ি নলয়, বৰং দুখীয়াসকলৰ উপকাৰহে কৰিব বুলি মন্তব্য কৰে। ইপিনে, কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ নেতা নাৰায়ণ স্বামীয়ে কালি কৰ্ণাটকৰ কোপ্পাল জিলাত দলৰ হৈকে প্ৰচাৰ চলায়। পাছত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত তেওঁ কয় যে ৰাজ্যখনৰ পূৰ্বৰ বিজেপি চৰকাৰে মুখ্যমন্ত্ৰী বছৱৰাজ বোম্মইৰ নেতৃত্বত অনুসূচিত জাতিৰ সংৰক্ষণৰ সীমা ১৫ৰ পৰা ১৭ শতাংশলৈ বৃদ্ধি কৰিছিল।

oooooooo

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোডীয়ে কৈছে যে ২০১৪ চনত জনসাধাৰণে তেওঁৰ পৰা আশা কৰিছিল আৰু ২০১৯ চনত সেই আশাসমূহ আস্থাত পৰিণত হৈছে। তেওঁ কয় যে আশাৰ পৰা আৰম্ভ হৈ ই আস্থাৰ পৰ্যায় অতিক্ৰমী নিশ্চয়তাত পৰিণত হৈছে। এটা নিউজ চেনেলত দিয়া সাক্ষাৎকাৰত শ্ৰীমোডীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে কঠোৰ পৰিশ্ৰম, প্ৰদৰ্শন, স্থায়ীত্ব আৰু স্পষ্টতাৰ বাবেই এয়া সম্ভৱ হৈ উঠিছে।

কংগ্ৰেছক সমালোচনা কৰি শ্ৰীমোডীয়ে বিজেপিয়ে সংবিধানৰ সলনি কৰিব বুলি দলটোৱে ভুৱা দাবী প্ৰচাৰ কৰাৰ অভিযোগ তোলে। তেওঁ কয় যে জনসাধাৰণে কংগ্ৰেছৰ ইতিহাস চালি-জাৰি চালে তেওঁলোকে যে সংবিধানৰ পৱিত্ৰতাক বিশ্বাস নকৰে সেয়া সহজেই অনুমান কৰিব পাৰিব। কংগ্ৰেছৰ ইস্তাহাৰত মুছলিম লীগৰ আদৰ্শৰাজিৰ প্ৰতিফলন ঘটা আৰু গোপন বিষয়বস্তু স্পষ্ট হৈ পৰা বুলি শ্ৰীমোডীয়ে অভিযোগ তোলে।

oooooooo

কংগ্ৰেছ আৰু বিৰোধী পক্ষৰ অন্য দলসমূহে ভুল তথ্য প্ৰচাৰ কৰা বুলি অভিযোগ তুলি বিজেপিয়ে নিৰ্বাচন আয়োগৰ কাষ চাপিছে। কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ চন্দ্ৰ শেখৰ, সুধাংশু ত্ৰিৱেদী আৰু ওম প্ৰকাশক লৈ গঠিত বিজেপিৰ এটা প্ৰতিনিধি দলে কালি বিষয়টো লৈ নিৰ্বাচন আয়োগক সাক্ষাৎ কৰে।

পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীত্ৰিৱেদীয়ে কয় যে দলে এনে ধৰণৰ ঘটনাৰ ১৫টা উদাহৰণ দাঙি ধৰিছে আৰু এই উদাহৰণসমূহ সাধাৰণ নহয়, বৰং কংগ্ৰেছে পৰিকল্পিতভাৱে এই তথ্যসমূহ প্ৰচাৰ কৰিছে। কংগ্ৰেছ আৰু মিত্ৰদলৰ নেতাসকলে অবিৰতভাৱে কৰা বিবৃতিক নিৰপেক্ষ আৰু নিকা

নিৰ্বাচনৰ পৰিপন্থী বুলি অভিহিত কৰি এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ তেওঁলোকে আয়োগক অনুৰোধ জনাইছে।

oooooooo

ভাৰত আৰু ইণ্ডোনেছিয়াৰ মাজত আজি নতুন দিল্লীত যুটীয়া প্ৰতিৰক্ষা সহযোগিতা সমিতিৰ সপ্তমখন বৈঠক অনুষ্ঠিত হ'ব। বৈঠকত ভাৰতৰ প্ৰতিৰক্ষা সচিব গিৰিধৰ আৰামানে আৰু ইণ্ডোনেছিয়াৰ প্ৰতিৰক্ষা সচিব প্ৰধান অৱসৰপ্ৰাপ্ত এয়াৰ মাৰ্শ্বাল ডনি এৰমাৱান টাউফাণ্টোৱে সহ-অধ্যক্ষতা কৰিব। দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ অহা ইণ্ডোনেছিয়াৰ প্ৰতিৰক্ষা সচিব প্ৰধানগৰাকীয়ে নতুন দিল্লী আৰু পুনেত প্ৰতিৰক্ষা খণ্ডৰ সৈতে জড়িত ভাৰতীয় উদ্যোগসমূহৰ সৈতেও আলোচনাত মিলিত হ’ব।

oooooooo

চীনৰ গুৱাংডং প্ৰদেশত এক্সপ্ৰেছৱে' খহি পৰাৰ ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ৪৮লৈ বৃদ্ধি পাইছে। স্থানীয় সংবাদ মাধ্যমে প্ৰকাশ কৰা অনুসৰি ঘটনাত আহত আৰু ত্ৰিশগৰাকী লোকে চিকিৎসালয়ত চিকিৎসা গ্ৰহণ কৰি আছে। ইয়াৰ ভিতৰত কাৰো অৱস্থা সংকটজনক নহয় বুলি জানিব পৰা গৈছে।

গুৱাংডং প্ৰদেশৰ এটা পাহাৰীয়া অঞ্চলত বিগত এমাহ ধৰি হোৱা ধাৰাসাৰ বৰষুণৰ পাছত কালি পুৱা এই ঘটনা সংঘটিত হয়। এক্সপ্ৰেছৱে' খহি পৰাৰ ফলত ২০খনতকৈও অধিক বাহন পাহাৰৰ পৰা তললৈ বাগৰি পৰে। বাতৰি অনুসৰি বাগৰি পৰাৰ পাছতে বাহনসমূহক জুয়ে আগুৰি ধৰে। ঘটনাৰ ফলত মাটিত পোত যোৱা বহু বাহনৰ উদ্ধাৰৰ প্ৰচেষ্টা এতিয়াও চলি আছে।

oooooooo

ছানৰাইজাৰ্ছ হায়দৰাবাদে যোৱানিশা হায়দৰাবাদত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন ৰোমাঞ্চকৰ খেলত ৰাজস্থান ৰয়েলছক ১ ৰাণত পৰাস্ত কৰে। ৰাজস্থান ৰয়েলছে ২০২ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ২০০ ৰাণহে কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ যশস্বী জয়ছৱালে ৪০টা বলত ৬৭ আৰু ৰিয়ান পৰাগে ৪৯টা বলত ৭৭ ৰাণৰ বৰঙণি আগবঢ়ায়। হায়দৰাবাদৰ ভূৱনেশ্বৰ কুমাৰে তিনিটা আৰু পেট কামিনছ আৰু টি নটৰাজনে দুটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ছানৰাইজাৰ্ছ হায়দৰাবাদে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি ২০ অভাৰত তিনিটা উইকেটৰ বিনিময়ত ২০১ ৰাণ কৰে। দলটোৰ হৈ ট্ৰেভিছ হেডে ৪৪টা বলত ৫৮, হেনৰিক ক্লাছেনে ১৯টা বলত ৪২ আৰু এন কে ৰেড্ডীয়ে ৪২টা বলত সৰ্বাধিক ৭৬ ৰাণ কৰে। ৰাজস্থানৰ আৱেশ খানে দুটা আৰু সন্দীপ শৰ্মাই এটা উইকেট দখল কৰে। খেলখনত আগবঢ়োৱা উজ্জীৱিত প্ৰদৰ্শনৰ বাবে ভূৱনেশ্বৰ কুমাৰক প্লেয়াৰ অব দ্য মেচৰ সন্মান প্ৰদান কৰা হয়। কালিৰ খেলৰ পাছত ৰাজস্থান ৰয়েলছ ১৬ পইণ্টেৰে পইণ্ট তালিকাৰ শীৰ্ষস্থানত থকাৰ বিপৰীতে কলকাতা নাইট ৰাইডাৰ্ছ, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদ ক্ৰমে দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ স্থান আছে।

প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

oooooooo

কাজাখস্তানৰ আস্তানাত চলি থকা ২২ বছৰ অনুৰ্দ্ধৰ এ এছ বি চি এছিয়ান আৰু যুৱ বক্সিং চেম্পিয়নশ্বিপত ভাৰতৰ চাৰিগৰাকী খেলুৱৈ পুৰুষৰ শাখাত ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে। ৫১ কিলোগ্ৰাম ওজন শাখাৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ মান্দেংবাম যদুমনি সিঙে ভূটানৰ প্ৰতিদ্বন্দ্বী ফুণ্ট্চ' কিনলেক ৫-০ ফলাফলত পৰাস্ত কৰে। একেদৰে ৫৭ কিলোগ্ৰাম ওজন শাখাৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ নিখিলে উজবেকিস্তানৰ বাখ্তিয়োৰোভ আয়ুবখনৰ বিৰুদ্ধে ৪-০ ফলাফলত বিজয় সাব্যস্ত কৰে।

ইপিনে, ৬৩ দশমিক ৫ কিলোগ্ৰাম আৰু ৭১ কিলোগ্ৰাম ওজন শাখাত ভাৰতীয় খেলুৱৈদ্বয় ক্ৰমে অজয় কুমাৰ আৰু অংকুশেও  মংগোলীয়া আৰু কোৰিয়াৰ প্ৰতিদ্বন্দ্বীক পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। অৱশ্যে ৫৪ কিলোগ্ৰাম ওজন শাখাৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ আশীষ মংগোলীয়াৰ প্ৰতিদ্বন্দ্বীৰ হাতত ২-৩ ফলাফলত পৰাস্ত হয়।

প্ৰতিযোগিতাত আজি ভাৰতৰ ১০গৰাকী পুৰুষ আৰু ১২গৰাকী মহিলা খেলুৱৈয়ে ছেমি ফাইনেলত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। পুৰুষৰ শাখাত ব্ৰিজেছ টামটা, আৰিয়ন, সাগৰ জাখাৰ, যশবৰ্ধন সিং, সুমিত, প্ৰিয়াংশু, ৰাহুল কুন্দু, ছাহিল, আৰ্যন আৰু লক্ষই ৰাথি অৱতীৰ্ণ হ'ব। একেদৰে মহিলাৰ শাখাত অন্নু, লক্ষ্মী, নিশা, তমন্না, য়াত্ৰী পেটেল, নিকিতা চান্দ, শ্ৰুষ্টি ছাথে, পাৰ্থবী গ্ৰেৱাল, আকাংক্ষা, ৰোদ্ৰিকা, খুচি পুনিয়া আৰু নীৰ্জৰা বানাই প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

oooooooo

সমাপ্ত